ULB

# Assamese Unlocked Literal Bible

## ওবদিয়া ভাববাদীৰ পুস্তক । ওবদিয়াৰ দৰ্শন

### সংস্কৰণ 4

[as]

No warranties are given. The license may not give you all of the permissions necessary for your intended use. For example, other rights such as publicity, privacy, or moral rights may limit how you use the material.

# সুচিপত্ৰ

**ওবদিয়া ভাববাদীৰ পুস্তক। ওবদিয়াৰ দৰ্শন** 5
Chapter 1 5
**অবদানকাৰী** 6
Assamese Unlocked Literal Bible অবদানকাৰী 6
Tischendorf Greek New Testament 8th edition অবদানকাৰী 6

# ওবদিয়া ভাববাদীৰ পুস্তক। ওবদিয়াৰ দৰ্শন

## Chapter 1

### ইদোমৰ বিনাশ।

1প্ৰভু যিহোৱাই ইদোমৰ বিষয়ে এই কথা কৈছে। আমি যিহোৱাৰ পৰা বাৰ্ত্তা শুনিলোঁ, আৰু জাতিবিলাকৰ মাজলৈ এজন দূত পঠোৱা হ’ল;
তোমালোক উঠা, আমি তাৰ অহিতে যুদ্ধ কৰিবলৈ উঠি যাওঁ। 2চোৱা, মই তোমাক জাতিবিলাকৰ মাজত সৰু কৰিলোঁ; তোমাক অতিশয়
হেয়জ্ঞান কৰা হ’ল। 3কোনে মোক মাটিলৈ নমাব? এই বুলি মনতে কোৱা, উচ্চস্থানত বাস কৰা শিলৰ খোৰোঙত থকা যি তুমি, তোমাৰ মনৰ
অহংকাৰে তোমাক প্ৰবঞ্চনা কৰিলে। 4যিহোৱাই কৈছে, তুমি কুৰৰ পক্ষীৰ নিচিনাকৈ ওপৰলৈ ঊধালেও, আৰু তোমাৰ বাহ তৰাবোৰৰ মাজত
স্থাপিত হ’লেও, মই তাৰ পৰা তোমাক নমাই আনিম। 5তোমাৰ ওচৰলৈ যদি চোৰ, ৰাতি ডকাইত আহে, তেন্তে (তুমি কেনে উচ্ছন্ন!) সিহঁতে
প্ৰয়োজনমতে চুৰ কৰি ক্ষান্ত নহব নে? বা তোমাৰ ওচৰলৈ দ্ৰাক্ষাগুটি চাপাওঁতাবিলাক আহিলে সিহঁতে কিছু দ্ৰাক্ষাগুটি অৱশিষ্ট নাৰাখিব নে?
6এচৌৰ সম্পত্তি কেনেকৈ বিচাৰি উলিওৱা হল! তাৰ গুপ্ত ধনবোৰ কেনেকৈ অনুসন্ধান কৰি নিয়া হল! 7তোমাৰে সৈতে সমন্ধ স্থাপন কৰা আটাই
লোকে তোমাক সীমালৈ নি বিদায় দিলে; তোমাৰে সৈতে মিলেৰে থকা মানুহবিলাকে তোমাক প্ৰবঞ্চনা কৰিলে আৰু ঘটুৱালে; তোমাৰ অন্ন
ভোজন কৰোঁতাবিলাকে তোমাৰ তলত ফান্দ পাতে; ইদোমৰ একো বিবেচনা নাই। 8যিহোৱাই কৈছে, সেই দিনা মই ইদোমৰ জ্ঞানীবিলাকক
উচ্ছন্ন নকৰিমনে? আৰু এচৌ পৰ্ব্বতৰ পৰা বিবেচনা দূৰ নকৰিম নে? 9হে তৈমন, হত্যাৰ দ্বাৰাই এচৌৰ পৰ্ব্বতৰ পৰা তোমাৰ আটাই বিৰ উচ্ছন্ন
হবৰ নিমিত্তে তেওঁবিলাক বিহ্বল হ’ব। 10তোমাৰ ভাই যাকোবলৈ কৰা অত্যাচাৰৰ নিমিত্তে লাজে তোমাক ঢাকিব, আৰু তুমি চিৰকাললৈকে
উচ্ছন্ন হবা। 11তুমি আঁতৰ হৈ থকা দিনা, বিদেশীবোৰে তাৰ ধন-সম্পত্তি লৈ যোৱা দিনা, আৰু পৰজাতিবোৰে তাৰ দুৱাৰত সোমাই যিৰূচালেমৰ
নিমিত্তে চিঠী খেলোৱা দিনা, তুমি সিহতঁৰ মাজৰ এজন যেন আছিলা। 12কিন্তু তোমাৰ ভায়েৰাৰ দিনা, তাৰ বিষম দুৰ্দ্দশাৰ দিনা তুমি তালৈ
সন্তুষ্ট মনেৰে নাচাবা, আৰু যিহূদাৰ সন্তানবিলাকৰ বিনাশৰ দিনা তেওঁবিলাকৰ ওপৰত আনন্দ নকৰিবা, বা দুখৰ দিনা গৰ্ব্বেৰে কথা নকবা।
13তুমি মোৰ প্ৰজাবিলাকৰ আপদৰ দিনা তেওঁবিলাকৰ নগৰৰ দুৱাৰত নোসোমাবা, এনে কি, তেওঁবিলাকৰ আপদৰ দিনা তেওঁবিলাকৰ দুখলৈ
সন্তুষ্ট মনেৰে নাচাবা, বা তেওঁবিলাকৰ আপদৰ দিনা তেওঁবিলাকৰ ধন-সম্পত্তিত হাত নিদিবা। 14তুমি পলৰীয়া বিলাকক উচ্ছন্ন কৰিবলৈ দুই
আলিৰ মূৰত থিয় নহবা, আৰু দুখৰ দিনা তাৰ অৱশিষ্ট লোকক শতৰুৰ হাতত শোধাই নিদিবা। 15কিয়নো আটাই জাতিৰ বিৰুদ্ধে যিহোৱাৰ
দিন ওচৰ চাপিছে; তুমি কৰাৰ দৰে তোমালৈ কৰা যাব, তোমাৰ কাৰ্য্যৰ ফল তোমাৰ মূৰৰ ওপৰতে পৰিব। 16কাৰণ মোৰ পবিত্ৰ পৰ্ব্বতত
তোমালোকে পান কৰাৰ দৰে, আটাই জাতিয়ে অনবৰত পান কৰিব; এনে কি, সিহঁতে পান কৰি গেদবোৰো গিলিব, আৰু সিহঁত নোহোৱা যেন
হব

### ইস্ৰায়েলৰ মঙ্গল।

17কিন্তু ৰক্ষা পোৱাবিলাক চিয়োন পৰ্ব্বতত থকিব, আৰু সেয়ে পবিত্ৰ হব আৰু যাকোবৰ বংশই নিজৰ আধিপত্য ভোগ কৰিব। 18আৰু
যাকোবৰ বংশ অগ্নি, যোচেফৰ বংশ অগ্নিশিখা, আৰু এচৌৰ বংশ নৰাস্বৰুপ বহ; তেওঁবিলাকে সিহঁতৰ মাজত জ্বলি সিহঁতক গ্ৰাস কৰিব, আৰু
এচৌৰ বংশলৈ কোনো অবশিষ্ট নাথাকাব; কিয়নো যিহোৱাই ইয়াক ইয়াক কলে। 19আৰু দক্ষিণ অঞ্চলৰ লোকবিলাকে এচৌৰ পৰ্ব্বত, আৰু
নিম্নভূমিৰ লোকবিলাকে পলেষ্টীয়া বিলাকৰ দেশ অধিকাৰ কৰিব; আৰু তেওঁবিলাকে ইফ্ৰয়িমৰ আৰু চমৰিয়াৰ ভূমি অধিকাৰ কৰিব; আৰু
বিন্যামীনে গিলিয়দ অধিকাৰ কৰিব। 20আৰু কনানীয়াবিলাকৰ মাজত বন্দী-অৱস্থাত থকা ইস্ৰায়েলৰ সন্তানবিলাকৰ এই সৈন্যসমূহে
চাৰিফতলৈকে অধিকাৰ কৰিব, আৰু চফাৰদত বন্দী-অৱস্হাত থকা যিৰূচালেমৰ লোকবিলাকে দক্ষিণ অঞ্চলৰ নগৰবোৰে অধিকাৰ কৰিব।
21আৰু এচৌৰ পৰ্ব্বতৰ বিচাৰ কৰিবলৈ ত্ৰাণকৰ্ত্তাবিলাক চিয়োন পৰ্ব্বতত উঠিব; আৰু ৰাজ্য যিহোৱাৰেই হ’ব।

# অবদানকারী

## Assamese Unlocked Literal Bible অবদানকারী

Ajit Kumar Singha
Antoney Raj
Basanta Kumar Sarma
Cdr. Thomas Mathew
Dr. Bobby Chellappan
Hinal Prakash
Jobby Prasannan
Jumi Devi
Kanika Dhar
Kavita Bora
Merlyn Easa
Numali Tara
Rev. Tarun Singha
Rinu John
Sangeet Momin
Shojo John
Door43 World Missions Community

## Tischendorf Greek New Testament 8th edition অবদানকারী

eBible.org
Clint Yale
Dr. Maurice A. Robinson
Ulrik Sandborg-Petersen
Door43 World Missions Community